**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-05-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

দেশত লোকসভা নিৰ্বাচনৰ পৰৱৰ্তী দুটা পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তুংগত উঠিছে। ষষ্ঠ পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযানৰ কাইলৈ সামৰণি পৰিব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশত আৰু গৃহমন্ত্ৰী অমিত শ্বাহে পশ্চিমবংগত প্ৰচাৰ চলায়। প্ৰধানমন্ত্ৰীয়ে উত্তৰ প্ৰদেশৰ বস্তিত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি শ্ৰাৱস্তিত আন এখন ৰাজহুৱা সভাত অংশ লয়। সন্ধিয়া ৬ বজাত শ্ৰী মোদীয়ে পশ্চিম দিল্লীৰ দ্বাৰকাত নিৰ্বাচনী সমাৰেশত অংশগ্ৰহণ কৰিব। দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি পশ্চিমবংগত প্ৰচাৰ চলায়। আজি দিনৰ ভাগত শ্ৰী নাড্ডাই উত্তৰ ছবিবশ পৰগনাৰ পৰা নিৰ্বাচনী প্ৰচাৰৰ শুভাৰম্ভ কৰে। ইয়াৰ পাছত তেওঁ হাওৰা জিলাৰ চিমুলপুৰ মেলাৰ মঠ খেলপথাৰত আয়োজিত জনসভাত ভাষণ দিয়ে। তেওঁ কলকাতা উত্তৰত আন এখন জনসভাত অংশ লোৱাৰ লগতে বিয়লি হুগলীত এখন প্ৰচাৰ সভাত অংশ লয়। দলৰ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও আজি পশ্চিমবংগত প্ৰচাৰ চলায়। তেওঁ কান্থি লোকসভা সমষ্টিৰ ইটাবেৰিয়াত প্ৰচাৰ চলোৱাৰ লগতে ঘাটাল, দেৰৱা আৰু পুৰুলিয়াত প্ৰচাৰ সভাত ভাষণ দিয়ে। দলৰ নেতা তথা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি ঝাৰখণ্ডত প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰে। কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধী ভাড্ৰাই আজি ঝাৰখণ্ডৰ গোদ্দাত নিৰ্বাচনী সমাবেশত অংশ লয়। দলৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে আৰু নেতা ৰাহুল গান্ধীয়েও আজি নিজ দলৰ প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ চলাইছে।

oooooooo

দেশৰ নিৰ্বাচন আয়োগে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা আৰু কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেক দল দুটাৰ তাৰকা প্ৰচাৰকসকলক নিৰ্বাচনী আৰ্হি আচৰণ বিধি উলংঘা হ'বলগীয়া মন্তব্য কৰাৰ পৰা বিৰত থকাৰ সকীয়নি দিবলৈ নিৰ্দেশ জাৰি কৰিছে। দুয়োগৰাকী নেতালৈ প্ৰেৰণ কৰা পত্ৰত আয়োগে কয় যে কোনো দল নাইবা প্ৰাৰ্থীয়ে সাম্প্ৰদায়িক বিবাদ সৃষ্টিকাৰী নাইবা অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি কৰাৰ আশংকা থকা মন্তব্য কৰিব নোৱাৰিব। আয়োগে শ্ৰী নাড্ডাক তেওঁৰ দলৰ তাৰকা প্ৰচাৰকসকলক সমাজত ভাঙোন সৃষ্টিকাৰী বক্তব্য প্ৰদানৰ পৰা বিৰত থাকিবলৈ সকিয়াই দিয়াৰ বাবে নিৰ্দেশ দিছে। তদুপৰি শাসনাধিষ্ঠিত বিজেপিক নিৰ্বাচনী প্ৰচাৰৰ নীতি-নিয়ম অনুসৰণ কৰি প্ৰচাৰ চলোৱাৰ লগতে ভাৰতবৰ্ষৰ সংপৃক্ত আৰু স্পৰ্শকাতৰ জনগাঁথনিৰ দিশলৈ লক্ষ্য ৰাখিবলৈও নিৰ্দেশ দিয়ে। একেদৰে আয়োগে কংগ্ৰেছ দলৰ তাৰকা প্ৰচাৰকসকলক ভাৰতৰ সংবিধান সন্দৰ্ভত আপত্তিজনক মন্তব্য নকৰিবলৈ নিৰ্দেশ দিয়ে। নিৰ্বাচনৰ গোটেই সময়ছোৱাত প্ৰাৰ্থী তথা দলীয় নেতাসকলক নীতি-নিৰ্দেশনা অনুসৰণ কৰি চলিবলৈও আয়োগে নিৰ্দেশ দিছে।

oooooooo

সপ্তম পৰ্যায়ত অহা ১ জুনত দেশৰ ৮খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৫৭টা সংসদীয় সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ত মুঠ ৯০৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে এই পৰ্যায়ৰ বাবে দুহেজাৰ ১০৫ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল। পঞ্জাৱত সৰ্বাধিক ৫৯৮ খন মনোনয়ন ১৩ টা সমষ্টিৰ বাবে দাখিল কৰা হৈছিল। আনহাতে, উত্তৰ প্ৰদেশত ১৩ টা সমষ্টিৰ বাবে ৪৯৫ খন মনোনয়ন দাখিল হৈছিল। সপ্তম তথা অন্তিম পৰ্যায়ত উত্তৰ প্ৰদেশ আৰু পঞ্জাৱৰ ১৩ খনকৈ আসনৰ লগতে পশ্চিমবংগৰ ৯খন, বিহাৰৰ ৮, ওড়িশাৰ ৬, হিমাচল প্ৰদেশৰ ৪, ঝাৰখণ্ডৰ ৩ আৰু কেন্দ্ৰীয় শাসিত অঞ্চল চণ্ডীগড়ৰ এখন আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। অহা ৪ জুনত ভোটগণনা অনুষ্ঠিত হ'ব।

oooooooo

খাদ্য সুৰক্ষা বিভাগে আজি গুৱাহাটী মহানগৰীৰ ফাঁচী বজাৰত  কাৰ্বাইডযুক্ত ফলৰ বিৰুদ্ধে অভিযান চলায়। জ্যেষ্ঠ খাদ্য সুৰক্ষা বিষয়াৰ নেতৃত্বত এটা দলে কৃত্ৰিমভাৱে পকোৱা আম বিচাৰি ফাঁচী বজাৰৰ প্ৰায় প্ৰতিখন ফলৰ দোকানত অভিযান চলায়। এই অভিযানত কাৰ্বাইড ব্যৱহাৰ কৰা প্ৰায় এক কুইণ্টল আম দলটোৱে নষ্ট কৰে। তদুপৰি দলটোৱে বিক্ৰী কৰা আমৰ নমুনা সংগ্ৰহ কৰি কাৰ্বাইডৰ উপস্থিতি পৰীক্ষাৰ বাবে পৰীক্ষাগাৰলৈ প্ৰেৰণ কৰিছে। এই সন্দৰ্ভত ৰাজ্যিক নডেল বিষয়া অনিল শৰ্মাই জনাই যে কাৰ্বাইডৰ পৰীক্ষাৰ ফলাফলৰ ওপৰত ভিত্তি কৰি পৰৱৰ্তী পৰ্যায়ত আইনগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

০০০০০০০০

অসম ক্ৰিকেট সন্থাৰ উদ্যোগত আৰু বৰপেটা জিলা ক্ৰীড়া সন্থাৰ সহযোগত আজিৰে পৰা কনকলতা বৰুৱা আন্তঃজিলা মহিলা ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। বৰপেটাত অনুষ্ঠিত এই প্ৰতিযোগিতাত বৰপেটাৰ লগতে নলবাৰী, তেজপুৰ আৰু নগাঁও জিলা দলে অংশগ্ৰহণ কৰিছে। প্ৰতিযোগিতাৰ আজিৰ প্ৰথমখন খেল বৰপেটা আৰু নলবাৰী দলৰ মাজত অনুষ্ঠিত হয়। খেলখনত বৰপেটাৰ দলে ৫২ ৰানত নলবাৰী দলক পৰাস্ত কৰে। বৰপেটাই প্ৰথমে বেটিং কৰি নিৰ্ধাৰিত ৩০ অভাৰত ৫ উইকেটৰ বিনিময়ত ১৩২ সংগ্ৰহ কৰে। ইয়াৰ বিপৰীতে নলবাৰী দলে ২৫ অভাৰ ২টা বলত আটাইকেইটা উইকেট হেৰুৱাই ৮০ ৰানহে সংগ্ৰহ কৰিবলৈ সক্ষম হয়।

০০০০০০০

**সমাপ্ত**